# 2024

## ASSAMESE

( Modern Indian Language )

Paper : ASM–CC–3016

**( Prachin Asomiya Sahitya )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) মহাপুৰুষ শংকৰদেৱৰ বিৰচিত বৰগীতৰ ভাষা কি?

(খ) 'অ' কি বেফুলা জাগ অ'' গীতটিত কি ৰাগ ব্যৱহাৰ কৰা হৈছে?

(গ) প্ৰাক্-শংকৰী যুগৰ সাহিত্যৰ যি কোনো এটা বৈশিষ্ট্য উল্লেখ কৰা।

(ঘ) হৰিবৰ বিপ্ৰই কোন ৰজাৰ পৃষ্ঠপোষকতাত সাহিত্য চৰ্চা কৰিছিল?

(ঙ) অনন্ত কন্দলীৰ পিতৃদত্ত নাম কি আছিল?

(চ) 'কুমৰহৰণ' কাব্যৰ নায়িকা কোন?

(ছ) মহাপুৰুষ মাধৱদেৱ বিৰচিত যি কোনো এখন ঝুমুৰাৰ নাম লিখা।

(জ) "আহে বাপু, তোহাৰি অৰুণ অধৰক বালাই লঞো"—ইয়াত উল্লিখিত 'অধৰ' শব্দটোৰ অৰ্থ লিখা।

(ঝ) বৈকুণ্ঠনাথ ভট্টাচাৰ্য্যই কাৰ আজ্ঞা অনুসৰি গদ্য ৰচনা কৰিছিল?

(ঞ) ৰঘুনাথ মহন্ত কোন যুগৰ সাহিত্যিক?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) কোন দুগৰাকী পণ্ডিতে বৰগীতক ক্ৰমে 'Noble Numbers' আৰু 'Holly Songs' আখ্যা দিছে?

(খ) হৰিবৰ বিপ্ৰই ৰচনা কৰা যি কোনো দুখন যুদ্ধকাব্যৰ নাম লিখা।

(গ) 'অৰ্জ্জুন-ভঞ্জন' নাটত উল্লেখ থকা কুবেৰৰ পুত্ৰদ্বয়ৰ নাম লিখা।

(ঘ) "হেন শুনি তাঞিঃ মাতিলা দুনাই
সুনিয়োক মুনিবৰ।
সাগৰ তৰিবো কুমৰ হৰিবো
মায়া জানো বহুতৰ॥"

কথাষাৰ কোনে, কাৰ আগত ব্যক্ত কৰিছে?

(ঙ) 'স্থিতপ্ৰজ্ঞ'ৰ দুটা বিশেষত্ব উল্লেখ কৰা।





৩। তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) "জগজন জীৱন অজন জনাৰ্দ্দন
দনুজ-দমন দুঃখহাৰী।
মহানন্দ কন্দ পৰমানন্দ
নন্দ নন্দন বনচাৰী॥"

পদফাঁকি প্ৰসঙ্গ-সংগতি দৰ্শাই ব্যাখ্যা কৰা।

(খ) সুকবি নাৰায়ণদেৱ বিৰচিত 'অ' কি বেফুলা জাগ অ'' নামৰ গীতটিৰ মূলভাৱ লিখা।

(গ) 'কুমৰহৰণ' কাব্যত অসমীয়া খাদ্য সম্ভাৰৰ উল্লেখ কেনেদৰে কৰা হৈছে, বৰ্ণনা কৰা।

(ঘ) ভট্টদেৱৰ 'কথা-গীতা'ৰ ব্যাকৰণগত বৈশিষ্ট্যসমূহ চমুকৈ আলোচনা কৰা।

(ঙ) 'বব্ৰুবাহনৰ যুদ্ধ' কাব্যত মণিপুৰৰ ৰাজসভাৰ বৰ্ণনা কেনেদৰে চিত্ৰিত হৈছে, চমুকৈ লিখা।

(চ) ৰঘুনাথ মহন্তৰ 'ৰামৰ বনগমন' পাঠৰ আধাৰত কৈকেয়ীৰ চৰিত্ৰটি বিশ্লেষণ কৰা।

তলত দিয়া প্ৰশ্নসমূহৰ বহলাই উত্তৰ দিয়া : ১০×৪=৪০

৪। (ক) বৰগীত বুলিলে কি বুজা? বৰগীতৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

*অথবা*

(খ) শংকৰী যুগৰ বৈষ্ণৱ আন্দোলনৰ প্ৰভাৱমুক্ত কবিসকলৰ কাব্যকৃতি সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

৫। (ক) যুদ্ধকাব্য হিচাপে হৰিবৰ বিপ্ৰৰ 'বব্ৰুবাহনৰ যুদ্ধ' কাব্যখনিৰ এটি আলোচনা আগবঢ়োৱা।

*অথবা*

(খ) 'কুমৰহৰণ' কাব্যৰ কাহিনীত চিত্ৰলেখা আৰু নাৰদৰ ভূমিকা কেনেভাৱে প্ৰতিফলিত হৈছে, বিশ্লেষণ কৰা আৰু কাহিনীটোত এই চৰিত্ৰ দুটাৰ আৱশ্যকতা বা অনাৱশ্যকতা সম্পৰ্কে তোমাৰ অভিমত দাঙি ধৰা।

৬। (ক) মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ নাটকৰ এটি তুলনামূলক আলোচনা আগবঢ়োৱা।

*অথবা*

(খ) " 'অৰ্জ্জুন-ভঞ্জন' নাটৰ বিষয়বস্তু বিকাশৰ তিনিটা স্তৰ দেখা যায়।" এই স্তৰ তিনিটা কি কি, আলোচনা কৰা।

৭। (ক) 'কথা-গীতা'ৰ দ্বিতীয় অধ্যায়ত ভগৱান শ্ৰীকৃষ্ণই, অৰ্জ্জুনক 'দেহাত্ম বিবেক' সম্পৰ্কে দিয়া উপদেশবাণী তোমাৰ নিজৰ ভাষাত লিখা।

*অথবা*

(খ) 'ৰামৰ বনগমন' পাঠৰ কাহিনীভাগ তোমাৰ নিজৰ ভাষাত লিখি ৰামৰ চৰিত্ৰটি বিশ্লেষণ কৰা।

★★★